# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সন্দৰ্ভত আলোচনা কৰা হয়। বিধায়ক মানৱ ডেকাই উত্থাপন কৰা এই সম্পৰ্কীয় প্ৰস্তাৱটোত অধ্যক্ষই আলোচনাৰ বাবে গ্ৰহণ কৰে। শাসক আৰু বিৰোধী দলৰ কেইবাগৰাকীও সদস্যই এই আলোচনাত অংশগ্ৰহণ কৰি অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ বৰ্ষৰ নিযুক্তি সন্দৰ্ভত হোৱা কেলেংকাৰী আৰু ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সম্পৰ্কত বিভিন্ন প্ৰসংগ উত্থাপন কৰে। বিধায়ক অখিল গগৈয়ে বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন ৰূপায়ণ কৰাত ৰাজ্য চৰকাৰৰ আগ্ৰহ নাই বুলি চৰকাৰৰ সমালোচনা কৰে।

আলোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম লোকসেৱা আয়োগৰ মূল সমিতি গঠন সন্দৰ্ভত বিস্তৃতভাৱে প্ৰকাশ কৰি ৰাকেশ পালক লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ বিভিন্ন তথ্য দাঙি ধৰে। মুখ্যমন্ত্ৰীয়ে ৰাকেশ পালক অসম লোকসেৱা আয়োগৰ অধ্যক্ষৰূপে নিযুক্তি দিয়াৰ বাবে কংগ্ৰেছ দলে অসমৰ যুৱশক্তিৰ ওচৰত স্বৰ্তবিহীন ক্ষমা-ভিক্ষা কৰিব লাগে বুলি মন্তব্য কৰে। কংগ্ৰেছ দলে দুৰ্নীতিৰ সুযোগ বিচাৰি থাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লোকসেৱা আয়োগত অধ্যক্ষ নিযুক্তিৰ ক্ষেত্ৰত দলটোৱে বাৰে বাৰে একে অপৰাধ কৰি আহিছিল বুলি অভিযোগ কৰে। তেওঁ লগতে অখিল গগৈয়ে কংগ্ৰেছৰ দুৰ্নীতিক নায্যতা প্ৰদান কৰিছে বুলিও অভিযোগ তোলে। ইপিনে, দুৰ্নীতিক প্ৰশ্ৰয় নিদি এ পি এছ চিৰ অনিয়মৰ বিৰুদ্ধে তদন্ত কৰাৰ সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰতি সদনে কৃতজ্ঞতা জনোৱা উচিত বুলি মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে। দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অসমত লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সহযোগী সদস্যসকলক গ্ৰেপ্তাৰ কৰা হয় বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে, বৰ্তমানৰ চৰকাৰ দিনত যিদৰে স্বচ্ছ নিযুক্তি প্ৰদান কৰা হৈছে, ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছ শাসনৰ সময়ত নিযুক্তিৰ তালিকাত মন্ত্ৰীৰ আত্মীয়স্বজনৰ নামহে অন্তৰ্ভুক্ত আছিল।

ইয়াৰ পূৰ্বে ৯ দিনৰ বিৰতিৰ মূৰত দিছপুৰত আজি পুনৰ অনুষ্ঠিত হোৱা অসম বিধানসভাত পুৱাৰ ভাগত প্ৰশ্ন-উত্তৰেৰে সদনৰ কাৰ্যসূচী আৰম্ভ হয়। অধিৱেশনত আজি ৭ টা প্ৰশ্ন উত্থাপন কৰা হয়। অধিৱেশনৰ আৰম্ভণিতে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক নগাঁৱৰ ৰাজপথত আক্ৰমণ কৰা সন্দৰ্ভত কংগ্ৰেছে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। কংগ্ৰেছৰ বিধায়ক ৰাজেদ আলী চৌধুৰীয়ে এই আক্ৰমণৰ ঘটনাৰ তদন্ত কিধৰণে আগবাঢ়িছে, সেই বিষয়ে প্ৰশ্ন কৰে। তেওঁ চৰকাৰে এই সন্দৰ্ভত কেতিয়া বিবৃতি প্ৰদান কৰিব সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰে। সেই অনুসৰি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এটা বিবৃতি সদনত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এই ঘটনাৰ তদন্ত মধ্য অসমৰ আৰক্ষী মহা পৰিদৰ্শকৰ হাতত ন্যস্ত কৰা হৈছে বুলি অৱগত কৰে। চৰকাৰে নিৰাপত্তাৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ নকৰে বুলিও মন্ত্ৰী শ্ৰী পাটোৱাৰীয়ে সদনক জনায়। চৰকাৰৰ এই উত্তৰত বিৰোধী দল সন্তুষ্ট নোহোৱাত এই বিষয়টো লৈ তেওঁলোকে পুনৰ

প্ৰতিবাদ কৰে। বিৰোধীয়ে তোলা সভাস্থগিত প্ৰস্তাৱত অনুমতি দিব নোৱাৰে বুলি অধ্যক্ষই প্ৰকাশ কৰে। লগে লগে ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ আৰু চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ তেওঁলোকৰ দাবীসমূহ উত্থাপন কৰিবলৈ ধ্বনি দিয়ে। অধ্যক্ষই এই দাবী অগ্ৰাহ্য কৰি বিদ্যাচিং ইংলেঙক শূন্যকালত বিষয়টো উত্থাপন কৰিবলৈ কয়। শ্ৰী ইংলেঙে বিষয়টো উত্থাপন কৰে যদিও সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিধায়ক কমলাক্ষ দে পুৰকায়স্থৰ এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয়, যে অসমৰ থানাসমূহত ৰুজু হৈ থকা ১৭ হাজাৰ ৯০০ৰো অধিক গোচৰ নিস্পত্তি কৰা হৈছে আৰু ১৩ হাজাৰৰো অধিক গোচৰ নিস্পত্তি কৰিবলৈ বৰ্তমান বাকী আছে। ইয়াৰ পাছতে কংগ্ৰেছ, চি পি আই এম আৰু ৰাইজৰ দলে সদন ত্যাগ কৰে।

০০০০০

আজি বিশ্ব বন্যপ্ৰাণী দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি গুজৰাটৰ জুনাগড় জিলাৰ ছাছন গীৰত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ সপ্তমখন বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ লগতে ভিন ভিন ৰাজ্যৰ সদস্য, বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি, ৰাজ্যসমূহৰ মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন আৰু সচিবসকলেও অংশগ্ৰহণ কৰে।

অসমতো আজি বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাৰ্যসূচী লোৱা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই দিৱস উপলক্ষে দিয়া বাৰ্তাত বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত অসম গুৰুত্বসহকাৰে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰে। তেওঁ কয় যে, বন্যপ্ৰাণীৰ আভাসভূমিৰ সম্প্ৰসাৰণ, চোৰাং চিকাৰীৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি, বন সুৰক্ষাৰ বাবে বিশেষ বাহিনী গঠন, পশু চিকিৎসাৰ বাবে বিশেষ ক্লিনিক, বন্যপ্ৰাণী সংৰক্ষণৰ বাবে বাজেটত অধিক আৱণ্টন আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত প্ৰয়োজনীয় যতনৰ লেখীয়া কেইবাটাও পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিছে।

বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি এই দিৱস উপলক্ষে দিয়া বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু বন্যপ্ৰাণী সুৰক্ষাৰ বাবে গ্ৰহণ কৰা নীতিৰ ফলস্বৰূপে বিগত দশকত বাঘ, গঁড় আদিৰ সংখ্যা বৃদ্ধি পাইছে বুলি উল্লেখ কৰে।

০০০০০

আজি বিশ্ব শ্ৰৱণ দিৱস। এইবাৰৰ এই দিৱসৰ মূল **বিষয়বস্তু হৈছে নৱ চিন্তাধাৰাক জাগ্ৰত কৰক, প্ৰতিগৰাকী ব্যক্তিয়ে কানৰ যতন আৰু শ্ৰৱণ শক্তি অটুট ৰখাৰ প্ৰতি গুৰুত্ব প্ৰদানৰ সংকল্প লওঁ আহক**। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যৰ ভিন্ন অঞ্চলত বিশ্ব শ্ৰৱণ দিৱস পালন কৰা হৈছে।

শ্ৰীভূমি জিলাত বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰে বিশ্ব শ্ৰৱণ দিৱস পালন কৰা হয়। শ্ৰৱণ ক্ষমতাৰ লগতে নিয়মীয়া কানৰ যতন সম্পৰ্কে সজাগতা সভাত আলোকপাত কৰা হয়। শ্ৰীভূমিৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ সুমনা নাইদিঙে পতাকা উত্তোলন কৰি সজাগতা সমাৰেশৰ শুভাৰম্ভ কৰে। আশাকৰ্মী, জে এন এম প্ৰশিক্ষণ বিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী আৰু স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়াসকলে সমাৰেশত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। বিশেষজ্ঞ চিকিৎসকে কৰিমগঞ্জ অসামৰিক চিকিৎসালয়ত চহৰখনৰ শিশুৰ লগতে আৰক্ষী কৰ্মী আৰু শ্ৰমিকসকলৰ বিনামূলীয়া শ্ৰৱণ শক্তিৰো পৰীক্ষা কৰে।

০০০০০

সমাপ্ত